নং ঃ ৩৬৯/২০২০

ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠান পৰিদৰ্শন কৰি ইয়াৰ কাম-কাজৰ বুজ ল'লে মুখ্যমন্ত্ৰীয়ে

# আত্মনিৰ্ভৰ অসমৰ লক্ষ্য বাস্তৱায়িত কৰাৰ বাবে দক্ষতা উন্নয়ন আৰু বজাৰ সংযোগীকৰণ অত্যন্ত জৰুৰী ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১৯ মে'ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি গুৱাহাটীৰ লালমাটিস্থিত ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠান পৰিদৰ্শন কৰি ইয়াৰ কাম-কাজৰ বুজ লোৱাৰ উপৰি এই প্ৰতিষ্ঠানখনক ৰাজ্যখনৰ যুৱক-যুৱতীসকলক ঔদ্যোগিক প্ৰতিষ্ঠানৰ চাহিদা অনুপাতে প্ৰশিক্ষণ প্ৰদানৰ এক বিস্তৃত পৰিকল্পনা গ্ৰহণৰ পদক্ষেপ লোৱাৰ বাবে আহ্বান জনায় যাতে ৰাজ্যখনৰ কৰ্মশক্তিয়ে যথাযোগ্য স্থান লাভ কৰিবলৈ সক্ষম হয়। মুখ্যমন্ত্ৰীয়ে লগতে অৰ্থনৈতিক সৰলীকৰণেৰে আত্মনিৰ্ভৰ অসম গঢ়ি তোলাৰ লক্ষ্য প্ৰাপ্তিৰ বাবে ৰাজ্যখনৰ কৃষি, উদ্যোগ তথা অন্যান্য আনুষংগিক বিভাগসমূহৰ সৈতে ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠানক সন্মিলিতভাৱে কাম কৰাৰ বাবেও আহ্বান জনায়।

পৰিদৰ্শনৰ পিছতে মুখ্যমন্ত্ৰীয়ে ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠানৰ বিষয়ববীয়াসকলৰ সৈতে বৈঠকত মিলিত হয়। বৈঠকত মুখ্যমন্ত্ৰীয়ে বৰ্তমানৰ অৰ্থনৈতিক মন্থৰতাৰ পৰিপ্ৰেক্ষিতত ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠানৰ বিষয়ববীয়াসকলক তৃণমূল পৰ্যায়ত এই প্ৰতিষ্ঠানৰ কাম-কাজ সম্প্ৰসাৰণ কৰি ৰাজ্যখনৰ যুৱক-যুৱতীসকলক উদ্যমিতাৰ দিশত উদ্বুদ্ধ কৰাৰ পদক্ষেপ ল'বলৈও আহ্বান জনায়।

ৰাজ্যখনৰ ২২০০ খন গাঁও পঞ্চায়তেৰে অসমে চতুৰ্দশ বিত্ত আয়োগৰ অধীনত ২০০০ কোটিতকৈও অধিক ধন লাভ কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠানক এই পুঁজিৰ উপযুক্ত ব্যৱহাৰৰ পৰিকল্পনা তথা কৌশল প্ৰদানৰ বাবেও আহ্বান জনায়। এই প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয় যে গাঁও পঞ্চায়তসমূহৰ যিহেতুঁকে এই দিশত উপযুক্ত কাৰিকৰী কৌশলৰ অভাৱ, সেয়েহে এই দিশত প্ৰতিষ্ঠানখনে কৌশল প্ৰদানেৰে উপকৃত কৰিব পাৰে। এই দিশত প্ৰতিষ্ঠানখনে পুঁজিৰ যথাযথ ব্যৱহাৰৰ দিশত বিশেষ খণ্ডসমূহ চিনাক্তকৰণত সহায় কৰিব পাৰে যাতে গ্ৰাম্য অৰ্থনীতিৰ আওতাৰ ভিতৰতে উৎকৃষ্ট নিয়োজনৰ সম্ভাৱনীয়তা সৃষ্টি কৰিব পৰা যায়।

কৃষিখণ্ডত নিয়োজিত যুৱকসকলক কেৱল দক্ষতা উন্নয়ন প্ৰদান কৰিলে সুফল পোৱা নাযায় বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে এই দিশত বজাৰ সংযোগীকৰণৰ ব্যৱস্থা গ্ৰহণৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। এই প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যখনৰ বজাৰৰ চাহিদাৰ এতিয়ালৈকে বিজ্ঞানসন্মত জৰীপ কাৰ্য চলোৱা হোৱা নাই। সেয়েহে ৰাজ্যখনৰ উৎপাদিত কৃষি সামগ্ৰীয়ে বজাৰ ব্যৱস্থা লাভ কৰাৰ দিশত যথেষ্ট অসুবিধাৰ সন্মুখীন হৈ আছে। মুখ্যমন্ত্ৰীয়ে ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠানক ৰাজ্যখনৰ মীন, উদ্যান শস্য, পশুধন ইত্যাদি খণ্ডসমূহৰ শক্তি আৰু সামৰ্থতা চিনাক্তকৰণৰ বাবে পদক্ষেপ ল'বলৈ আহ্বান জনায় যাতে এই খণ্ডসমূহত নিয়োজিত কৃষক আৰু উদ্যোগীসকলৰ বাবে যথাযথ বজাৰৰ যোগসূত্ৰ স্থাপন কৰিব পৰা যায়।

মুখ্যমন্ত্ৰীয়ে লগতে ক'ভিড-১৯ ৰ ফলশ্ৰুতিত ৰাজ্যখনৰ বাহিৰত কৰ্মৰত অসমলৈ ঘূৰি অহা যুৱক-যুৱতীসকলৰ দক্ষতা চিনাক্তকৰণৰ পদক্ষেপ লোৱাৰ বাবে আহ্বান জনায় যাতে তেওঁলোকক প্ৰয়োজনীয় দক্ষতা আহৰণৰ সুবিধা প্ৰদানেৰে ৰাজ্যখনৰ অৰ্থনৈতিক বিকাশত অৰ্থবহ অৰিহণা যোগোৱাৰ বাবে পদক্ষেপ ল'ব পৰা যায়। এনেধৰণে যদি ৰাজ্যখনলৈ ঘূৰি অহা ৫ হাজাৰ গৰাকী যুৱকক প্ৰথম পৰ্যায়ত উপযুক্ত সংস্থাপন তথা আত্মনিৰ্ভৰশীল হোৱাৰ সুবিধা প্ৰদান কৰিব পৰা যায় তেতিয়াহ'লে আন আন যুৱক-যুৱতীসকলেও এনেধৰণৰ দক্ষতা বিকাশৰ প্ৰশিক্ষণ লোৱাৰ বাবে উদ্বুদ্ধ হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে লগতে অসমলৈ উভতি অহা যুৱক-যুৱতীসকলক দক্ষতা বিকাশৰ প্ৰশিক্ষণ লোৱাৰ বাবেও আহ্বান জনায় আৰু এই দিশত ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠানক অগ্ৰণী ভূমিকা গ্ৰহণৰ বাবেও আহ্বান জনায়।

ভিয়েটনামে তেওঁলোকৰ উৎপাদিত সামগ্ৰীৰ মূল্য সংযোজনেৰে ৰপ্তানিৰ দিশত বিশেষভাৱে সফল হোৱাৰ উদাহৰণ দাঙি ধৰি মুখ্যমন্ত্ৰীয়ে অসমৰ কৃষি উদ্যোগীসকলক এই দিশত সহায়ৰ হাত আগবঢ়োৱাৰ বাবেও ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠানক আহ্বান জনায় যাতে অসমৰ উৎপাদিত সামগ্ৰীৰ মূল্য সংযোজনেৰে দেশৰ লগতে দেশৰ বাহিৰৰ বজাৰ দখল কৰিব পৰা যায়।

আজিৰ এই বৈঠকত ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠানৰ সঞ্চালক অভিজিৎ শৰ্মাই প্ৰতিষ্ঠানখনৰ বিভিন্ন কাম-কাজৰ অৱলোকনেৰে এক সংক্ষিপ্ত প্ৰেজেণ্টেশ্যনো মুখ্যমন্ত্ৰীৰ সন্মুখত দাঙি ধৰে। বৈঠকত বিধায়ক ঋতুপৰ্ণ বৰুৱা, উদ্যোগ আৰু বাণিজ্য বিভাগৰ আয়ুক্ত সচিব কে কে দ্বিবেদী উপস্থিত থাকে।

**স্বাক্ষৰ / বঃভাঃ / পুঃডেঃ**
**১৯/৫/২০২০**